# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

ৰাজ্যখনৰ ৪টা সমষ্টিত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অব্যাহত আছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত বিজেপিয়ে অসমৰ ৫টা সমষ্টিত ৪টাতে জয়লাভ কৰিব বুলি আজি বৰপেটা জিলাৰ সৰ্থেবাৰীত এখন নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত সৰ্থেবাৰীত প্ৰচাৰ চলাই ড০ শৰ্মাই অনাগত দিনত নিৰ্বাচনত জয়লাভ কৰিলে বিজেপি চৰকাৰে উন্নয়নমূলক আঁচনিসমূহৰ কাম সুচাৰুৰূপে চলাই নিব বুলি দাবী কৰে। কেইবাহাজাৰৰো লোক উপস্থিত থকা সভাখনত মুখ্যমন্ত্ৰীয়ে ৰাইজক সামগ্ৰিকভাৱে ভোটদানৰ বাবে আহ্বান জনায়। সভাত অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিৰ বাৰেমাবাৰীতো এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী শ্ৰীবসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিৰোধী কংগ্ৰেছ আৰু বি পি এফ দলক তীব্ৰ সমালোচনা কৰে। উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ পৰহিলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব।

ইফালে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি গুৱাহাটীত এখন সংবাদমেলক সম্বোধন কৰি দলটোৱে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে যুঁজ দিয়াৰ উপৰি ৫টা ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি আৰু ২৫টা গেৰাণ্টি জনসাধাৰণক দিছে বুলি প্ৰকাশ কৰে। ইয়াৰ পাছত কংগ্ৰেছ সভাপতিগৰাকীয়ে বৰপেটা সমষ্টিৰ দলীয় প্ৰাৰ্থী দ্বীপ বায়নৰ হৈ কৈয়াকুচিত এখন নিৰ্বাচনী সভাত অংশ লয়। সভাত শ্ৰীখাৰ্গেয়ে দলটোৱে শাসনলৈ আহিলে মহিলাসকলক বিত্তীয় সাহাৰ্যৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত ৫০ শতাংশ সংৰক্ষণৰ প্ৰতিশ্ৰুতি দিয়ে। শাসনাধিস্থ বিজেপি দলক তীব্ৰ সমালোচনা কৰি শ্ৰীখাৰ্গেই কয় যে, কংগ্ৰেছে বিজেপিৰ দৰে কেৱল প্ৰতিশ্ৰুতি প্ৰদান নকৰি প্ৰতিশ্ৰুতি পূৰণৰ কাৰণেও অহোপুৰুষাৰ্থ কৰে।

তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি চিৰাং জিলাত বি পি এফ, জি এছ পি আৰু অন্যান্য দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়।

০০০০০

দেশৰ লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পূৰ্ণ হয়। ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮টা সমষ্টি সামৰি হোৱা এই পৰ্যায়ৰ নিৰ্বাচনত সামগ্ৰিকভাৱে প্ৰায় ৬৮ দশমিক

৪-৮ শতাংশ ভোটদান হয়। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ত্ৰিপুৰাত সৰ্বাধিক ৭৯ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ বিপৰীতে উত্তৰ প্ৰদেশত সৰ্বনিম্ন ৫৪ দশমিক ৮-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অসমৰ ৫টা সমষ্টিতো কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। ৰাজ্যখনত প্ৰায় ৭৭ দশমিক ৩-৫ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। দৰং-ওদালগুৰি সমষ্টিত ৭৮ দশমিক ৪-১, ডিফুত প্ৰায় ৭৩ দশমিক ১-১, কৰিমগঞ্জত ৭৫ দশমিক ৬-৩, নগাঁৱত ৮০ দশমিক ৫-৬ আৰু শিলচৰত ৭৫ দশমিক ৯-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনত দুগৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰে। ইয়াৰ ভিতৰত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। ইফালে শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হয়। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰছিং তি ছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰে।

০০০০০

০০০০০

অসম পশুপালন আৰু পশু চিকিৎসা সংস্থাৰ শোণিতপুৰ জিলা শাখাৰ উদ্যোগত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত আজি বিশ্ব পশু চিকিৎসা দিৱস পালন কৰা হয়। এই উদ্দেশ্যেৰে আয়োজন কৰা কাৰ্যসূচীৰ আৰম্ভণিতে তেজপুৰৰ হাতীপিলখানাৰ পৰা গণেশঘাটলৈ এটা শোভাযাত্ৰা উলিওৱা হয়। এই অনুষ্ঠানত জিলাৰ অতিৰিক্ত আয়ুক্ত গৰ্গমোহন দাসকে প্ৰমুখ্য কৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

দৰং কেন্সাৰ কেন্দ্ৰৰ দ্বিতীয় বৰ্ষপূতিৰ লগত সংগতি ৰাখি মঙলদৈৰ সাপ্তাহিক বজাৰত এটা কৰ্কটৰোগ সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উদ্দেশ্যেৰে মহিলাসকলৰ মাজত স্তনৰ কৰ্কটৰোগ সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

০০০০০

সমাপ্ত